# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-SEP-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১।	বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে শাসক-বিৰোধী উভয় পক্ষৰ  বিটিআৰৰ জিলাকেইখনত ব্যাপক প্ৰচাৰ।
২।	শিলচৰৰ এন আই টিৰ চৌহদত হিংসাত্মক ঘটনা সন্দৰ্ভত ৫গৰাকী বাংলাদেশী ছাত্ৰক সাময়িকভাৱে বহিষ্কাৰ।
৩।	বৰপেটাৰ তদানীন্তন ৰাজহ চক্ৰ বিষয়া নুপূৰ বৰাৰ বাসগৃহ, ভাৰাঘৰত মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাৰ অভিযানত ১ কোটিৰো অধিক নগদ ধন উদ্ধাৰ।
৪।	অৰুণাচলৰ বমদিলা আৰু টাৱাঙত হোৱা ধাৰাষাৰ বৰষুণৰ ফলত ভৈয়াম অঞ্চলত বানৰ সৃষ্টি।

**আৰু**

৫।	এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ডুবাইত আজি হ'বলগীয়া গ্ৰুপ-বিৰ খেলত শ্ৰীলংকা, হংকঙৰ মুখামুখি।

ooooo

বিটিচি নিৰ্বাচনৰ ভোটগ্ৰহণৰ মাজত ছটা দিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষই নিজ নিজ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত বিটিআৰৰ জিলাকেইখনত ব্যাপক প্ৰচাৰ চলাই আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেইবাগৰাকীও মন্ত্ৰী, ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়ো, বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতৃত্বই প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰ আৰু চিৰাঙত আয়োজিত দুখন জনসভাত অংশ লয়। কোকৰাঝাৰত বানৰগাঁও আৰু দতমা সমষ্টিৰ পৰিষদীয় প্ৰাৰ্থী দুগৰাকীৰ হৈ প্ৰচাৰ চলাই  জনসভাত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে বিজেপিৰ নীতি আৰু কাৰ্যসূচীৰ প্ৰতি নিৰন্তৰ বিশ্বাস আৰু আস্থা ৰখাৰ বাবে জনসাধাৰণৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। জিলাখনত মুখ্যমন্ত্ৰীৰ নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত এয়া আমাৰ কোকৰাঝাৰৰ সংবাদদাতা প্ৰিতম ব্ৰহ্ম চৌধুৰী-

***(ভইচ)***

চিৰাং জিলাত চিৰাং পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সৌমথোৰ ব্ৰহ্মাৰ সমৰ্থনত প্ৰচাৰ সভাত অংশ লৈ মুখ্যমন্ত্ৰীয়ে বড়ো চুক্তি কাৰ্যকৰী কৰাৰ লগতে বি টি আৰত শান্তি স্থাপনৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি মন্তব্য কৰে। নিৰ্বাচনী হিংসা সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ তেওঁ সকলো ৰাজনৈতিক দলক সংযম সহকাৰে নিৰ্বাচনৰ সময়ছোৱাত কামকাজ কৰিবলৈ আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বাক্সা জিলাৰ ফাতেমাবাদ চাহ বাগিচাত আয়োজিত এখন সভাত অংশ লৈ দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়। জনসভাত দিয়া ভাষণত তেওঁ কয়, যে বি টি আৰৰ জনসাধাৰণৰ উৎসাহে অঞ্চলটোৰ শান্তি, সম্প্ৰীতি আৰু সমৃদ্ধিকে প্ৰতিফলিত কৰিছে। মন্ত্ৰী অতুল বৰাই আজি মাসনগুৰি পৰিষদীয় সমষ্টিৰ বাক্সাৰ খাৰিজা বিজনী মৌজাৰ ওদাৰগুৰিত অগপ প্ৰাৰ্থী মনমোহন দাসৰ সমৰ্থনত প্ৰচাৰ চলায়। এই সভাত সাংসদ ফণীভূষণ চৌধুৰী, বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ লগতে কেইবাগৰাকীও বিধায়ক আৰু দলীয় কৰ্মী উপস্থিত তাকে।

বিৰোধী দল কংগ্ৰেছ, বিপিএফ, ৰাইজৰ দল আৰু অন্যান্য দলসমূহেও আজি বিভিন্ন স্থানত প্ৰচাৰ চলায়।

০০০০০

শিলচৰৰ নেচনেল ইনষ্টিটিউট অব টেকন'ল'জিৰ চৌহদত হিংসাত্মক ঘটনা সন্দৰ্ভত ৫ গৰাকী বাংলাদেশী ছাত্ৰক সাময়িকভাৱে বহিষ্কাৰ কৰা হৈছে। এই ছাত্ৰ কেইজনক এটা শিক্ষাবৰ্ষৰ বাবে বহিষ্কাৰ কৰাৰ লগতে ছাত্ৰাবাসত থকাৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। তৃতীয় বৰ্ষৰ এই ছাত্ৰকেইজনে সহপাঠীক আক্ৰমণ কৰাৰ অভিযোগ উঠিছিল। এই ছাত্ৰকেইজন এছ কে ছাহৰিয়াৰ আহমেদ আকাশ, সীমান্ত ঘোষ, সৌম্যজিৎ পাল, ছাজ্জাদ হুছেইন ৰফী আৰু মহম্মদ নুৰ হুছেইন বুলি প্ৰকাশ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক সম্পৰ্ক পৰিষদৰ জলপানী লাভ কৰি এই ছাত্ৰকেইজনে প্ৰতিষ্ঠানটোত অধ্যয়ন কৰি আছিল। যোৱা ৮ ছেপ্তেম্বৰত সংঘটিত এই ঘটনাৰ পাছত শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত কেইবাজনো ছাত্ৰক সংকটজনক অৱস্থাত ভৰ্তি কৰোৱা হৈছিল। প্ৰতিষ্ঠানটোৰ পৰিচালক দিলীপ কুমাৰ বৈদ্যই কয়, যে তেওঁলোকৰ হাতত ছাত্ৰকেইজনৰ বিৰুদ্ধে পৰ্যাপ্ত তথ্য, প্ৰমাণ আছে। তেওঁলোকক বাংলাদেশলৈ ঘূৰাই পঠিওৱা হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

***(বাইট)***

০০০০০

বৰপেটা জিলাৰ বাঘবৰ ৰাজহ চক্ৰৰ সুৰজিত ডেকা নামৰ এজন লাট মণ্ডলৰ দঙৰকুছিৰ বাসগৃহত গুৱাহাটীৰ পৰা যোৱা মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাৰ এটা দলে আজি তালাচী চলায়। অভিযানকাৰী দলটোৱে ডেকাক লগত লৈ বৰপেটা ৰাজহ চক্ৰ বিষয়াৰূপে এসময়ত কাৰ্যনিৰ্বাহ কৰা কামৰূপৰ গৰৈমাৰীৰ ৰাজহ চক্ৰ বিষয়া নুপূৰ বৰাৰ ভাৰাঘৰতো অভিযান চলায়। বৰপেটা নগৰৰ শ্ৰীকামাৰ পথত থকা ভাৰাঘৰটোত চলোৱা অভিযানত প্ৰায় চাৰে ১০ লাখ টকা আৰু নথিপত্ৰ উদ্ধাৰ কৰে বুলি মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাৰ অভিযানকাৰী দলৰ বিষয়াই প্ৰকাশ কৰে। উল্লেখযোগ্য যে বৰপেটাৰ ৰাজহ চক্ৰ বিষয়া হিচাপে কৰ্মৰত নুপূৰ বৰাই বিত্তীয় অনিয়ম সংঘটিত কৰাৰ অভিযোগ উত্থাপন হৈছে। নুপূৰ বৰাৰ সহযোগী হিচাপে লাট মণ্ডল ডেকাই ভূমি সংক্ৰান্তীয় বিভিন্ন জালিয়াতি কৰাৰো অভিযোগ উত্থাপন হৈছে। সেই সূত্ৰে নুপূৰ বৰাৰ গুৱাহাটীৰ বাসভৱনৰ সমান্তৰালকৈ বৰপেটাত থকা তেওঁৰ ভাৰাঘৰ আৰু সহযোগী লাট মণ্ডল ডেকাৰ বিৰুদ্ধে এই অভিযান চলে। নুপূৰ বৰাৰ গুৱাহাটীৰ বাসগৃহত চলা অভিযানত নগদ ১ কোটি টকা আৰু সোণৰ আ-অলংকাৰ উদ্ধাৰ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সদৰি কৰে। বিষয়াগৰাকীৰ ওপৰত বহু দিনৰ পৰা নজৰ ৰখা হৈছিল বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমক অৱগত কৰে। ড০ শৰ্মাই কয় যে দুৰ্নীতিৰ বিৰুদ্ধে এই অভিযান অব্যাহত থাকিব।

**বাইট (চি এম)**

০০০০০

চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ বমদিলা আৰু টাৱাং জিলাত হোৱা ধাৰাষাৰ বৰষুণৰ ফলত পাহাৰীয়া নৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ভৈয়াম অঞ্চলত বানৰ সৃষ্টি হৈছে। শোণিতপুৰ জিলাৰ নদুৱাৰ বিধানসভা সমষ্টিৰ চাৰিদুৱাৰৰ অন্তৰ্গত বাকোলা, বাকোলাপথাৰ, আমলগা, ভালুকমাৰী, বুঢ়াগাঁও, দলংবস্তিকে ধৰি কেইবাটাও অঞ্চল বানৰ কবলত পৰিছে। প্ৰথমবাৰৰ বাবে গামানি ছপালনা গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰিছে। আজি বিধয়াক পদ্ম হাজৰিকাই বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়।

০০০০০

নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ ধনশিৰি, দৈয়াং, গেলাবিল আদি উপনৈসমূহৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বাগৰিছে। সেয়ে সম্ভাব্য বানৰ প্ৰতি লক্ষ্য ৰাখি গোলাঘাট, মৰঙী, খুমটাই, দেৰগাঁও, সৰুপথাৰ আৰু বোকাখাত ৰাজহ চক্ৰৰ অন্তৰ্গত নৈপৰীয়া ৰাইজক সজাগ হৈ থাকিবলৈ জিলা প্ৰশাসনে সকিয়াই দিছে। জৰুৰীকালীন সময়ত উদ্ধাৰ কাৰ্যৰ বাবে ০৩৭৭৪-২৮৩২৮২ নম্বৰত যোগাযোগ কৰিবলৈ গোলাঘাট জিলা প্ৰশাসনে

আহ্বান জনাইছে। উল্লেখযোগ্য যে ধনশিৰি নৈৰ বাঢ়নী পানীয়ে নুমলীগড়, খুমটাই, সৰুপথাৰ, গোলাঘাট আদি অঞ্চলৰ লগতে কুৰিখনৰো অধিক গাঁও জলমগ্ন কৰি তুলিছে।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ নৱনিৰ্মিত পৰীক্ষাগাৰ, ৰাষ্ট্ৰীয় বৈদ্যুতিন আৰু তথ্যপ্ৰযুক্তি প্ৰতিষ্ঠানৰ অধ্যয়ন কেন্দ্ৰ, আই চি টি ব্যৱস্থাসম্পন্ন কম্পিউটাৰ লেব আৰু বহুমুখী শ্ৰেণীকোঠাসহ কেইবাটাও শৈক্ষিক আন্তঃগাঁথনি উদ্বোধন কৰে। আন্তঃগাঁথনিসমূহ উদ্বোধন কৰি মন্ত্ৰী ডাঃ পেগুৱে তেওঁৰ ভাষণত শিক্ষা নীতিৰ ভিত্তিত সংবৰ্ধিত এই শৈক্ষিক আন্তঃগাঁথনিয়ে শিক্ষাৰ অগ্ৰগতিৰ ক্ষেত্ৰত সহায় কৰিব বুলি আশা প্ৰকাশ কৰে।

**বাইট (ৰণোজ পেগু)**

০০০০০

খ্যাতনামা অভিযন্তা, শিক্ষাবিদ, ভাৰতৰত্ন সন্মানেৰে সন্মানিত এম বিশ্বেশ্বৰীয়াৰ জয়ন্তী উপলক্ষে আজি অভিযন্তা দিৱস পালন কৰা হৈছে। দেশৰ উন্নয়ন আৰু কাৰিকৰী প্ৰগতিৰ ক্ষেত্ৰত অভিযন্তাসকলে আগবঢ়াই অহা অৰিহণাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি এই দিৱস উদযাপন কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিযন্তা দিৱস উপলক্ষে আজি এম বিশ্বেশ্বৰীয়াৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তা যোগে শ্ৰী মোদীয়ে কয়, যে খ্যাতনামা অভিযন্তাগৰাকীৰ অসাধাৰণ বুদ্ধিমত্তাই ভাৰতীয় অভিযান্ত্ৰিক ক্ষেত্ৰত অম্লান স্বাক্ষৰ ৰাখি থৈ গৈছে। তেওঁ কয়, যে দেশৰ অভিযন্তাসকলে এখন বিকশিত ভাৰত গঢ়াৰ ক্ষেত্ৰত গ্ৰহণ কৰা সমন্বিত প্ৰচেষ্টাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে সৃজনীশীলতা আৰু দৃঢ়তাৰে বিভিন্ন ক্ষেত্ৰৰ কঠিন প্ৰত্যাহ্বান গ্ৰহণ কৰি ন ন উদ্ভাৱন কৰি যোৱা অভিযন্তাসকলক এই দিৱস উপলক্ষে অভিনন্দন জ্ঞাপন কৰিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও অভিযন্তা দিৱস উপলক্ষে দেশৰ অভিযন্তাসকলক অভিনন্দন জ্ঞাপন কৰিছে। তেওঁ কয়, যে কিংবদন্তি অভিযন্তা এম বিশ্বেশ্বৰীয়াই দেশক ৰূপান্তৰৰ পথলৈ লৈ যাবলৈ সমৰ্থ হৈছিল। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ নিজৰ উদ্ভাৱন আৰু সামৰ্থ্যৰে দেশৰ কাৰিকৰী ক্ষেত্ৰত উত্তৰণ ঘটোৱা অভিযন্তাসকলক অভিনন্দন জ্ঞাপন কৰে।

০০০০০

ৰাজ্যত কালি অহা ভূমিকম্পৰ প্ৰচণ্ড জোকাৰণিৰ পাছত কেইবা ঠাইতো প্ৰাকৃতিক দুৰ্যোগৰ ঘটনা সংঘটিত হৈছে। হোজাইত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে। লামডিং-লংকা সংযোগী ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ এছ টাৰ্ণিঙত ভূমিকম্পৰ ফলত পাহাৰৰ মাটি খহি চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ এটা দিশ বন্ধ হৈ পৰে। ইয়াৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথটোৰ এটা অংশৰে যাতায়ত কৰিবলগীয়া হৈছে। বৰ্তমান ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ লোকসকলে পথচোৱা মুকলি কৰাৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। এই সন্দৰ্ভত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিষয়াই এইদৰে কয়-

০০০০০

জিলা আইন সেৱা প্ৰাধিকৰণ, কাছাৰৰ দ্বাৰা শিলচৰত আজি আয়োজিত ৰাষ্ট্ৰীয় লোক আদালতে এদিনতে ৭ কোটি ৪২ লাখ টকাৰ গোচৰৰ নিষ্পত্তি কৰে। লোক আদালতত মটৰ দুৰ্ঘটনাৰ ক্ষতিপূৰণৰ দাবী, বৈবাহিক বিবাদ, দেৱানী আৰু অপৰাধমূলক গোচৰৰ উপৰি বেংকৰ ঋণ আদায়, টেলিফোন আৰু বিদ্যুতৰ মাচুলৰ সৈতে জড়িত প্ৰি-লিটিগচেন বিষয়সমূহো গ্ৰহণ কৰা হয়। ইয়াৰ ফলত ১০০ৰো অধিক বিবাদীয়ে সকাহ লাভ কৰিছে।

০০০০০

বৰপেটা সত্ৰত আজি উলহ-মালহেৰে নন্দোৎসৱ পালন কৰা হয়। কালি নিশা শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালনৰ পাছত পৰম্পৰাগতভাৱে বৰপেটা সত্ৰত নন্দোৎসৱ পালন কৰা হৈছে। কৃষ্ণ জন্মৰ আনন্দ হিচাপে পালিত এই উৎসৱৰ অংশ হিচাপে আজি সত্ৰৰ মূল গৃহত থকা গুৰু আসনৰ পাছফালে ভকতসকলে গোপাল আতাৰ জন্মযাত্ৰা নাট ৰূপায়ণ কৰে। বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া ড০ বাবুল চন্দ্ৰ দাসে কয় যে বিগত ৫০০ বছৰ ধৰি বৰপেটা সত্ৰত নন্দোৎসৱ পালন হৈ আহিছে।

০০০০০

ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিত অহা ১৮ ছেপ্তেম্বৰত এটা বৃহৎ স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হৈছে। শিবিৰৰ প্ৰস্তুতি সম্পৰ্কত আজি লাহোৱালৰ বিধায়ক বিনোদ হাজৰিকাই লাহোৱাল প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আশা কৰ্মীসকলৰ সৈতে আলোচনাত মিলিত হয়।

০০০০০

সেৱা আৰু সুশাসনৰ মূল মন্ত্ৰৰে পৰিচালিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে দেশৰ প্ৰগতি আৰু ৰূপান্তৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে। আজিৰ এই প্ৰতিবেদনত নমামী গংগা অভিযানৰ জৰিয়তে চৰকাৰে গংগা পুনৰুজ্জীৱিতকৰণৰ বাবে কিদৰে প্ৰয়াস কৰিছে, সেই বিষয়ে আলোকপাত কৰা হৈছে। পৱিত্ৰ, শাশ্বত গংগা ভাৰতৰ জীৱন ৰেখা হোৱাৰ লগতে ভাৰতীয় অৰ্থনীতিৰ প্ৰাণকেন্দ্ৰস্বৰূপ। ২০১৪ চনত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে আৰম্ভ কৰা নমামী গংগা কাৰ্যসূচী গংগা নৈৰ পুনৰুজ্জীৱিতকৰণৰ ক্ষেত্ৰত অভিলাসী আৰু সৰ্বাত্মক পদক্ষেপ হিচাপে পৰিগণিত হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে গংগা পৰিষ্কাৰকৰণ এক সৰ্বাত্মক প্ৰচেষ্টা বুলি অভিহিত কৰে। নমামী গংগা প্ৰদূষণ নিয়ন্ত্ৰণ ভৌগোলিক সুস্থিৰতা ৰক্ষা আৰু সামৰ্থ বৰ্ধনৰ উপৰি সামূহিক অংশগ্ৰহণৰ ক্ষেত্ৰত বহুমুখী পদক্ষেপ হিচাপে চিহ্নিত হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

এই অভিযানে নৈখনৰ পাৰিপাৰ্শ্বিক সমতা ৰক্ষা কৰাৰ উপৰি নৈপৰীয়া আৰু নৈখনক লৈ জীৱিকা নিৰ্বাহ কৰা বহু লোকৰ উপাৰ্জনৰ পথ প্ৰশস্ত কৰাৰ বিষয়তো গুৰুত্ব আৰোপ কৰিছে। প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা এই অভিযানৰ অধীনত পয়-প্ৰণালী ব্যৱস্থাৰ সামৰ্থ ২০১৪ চনতকৈ ৩০ গুণ বৃদ্ধি পাইছে। তদুপৰি গংগা নৈত থকা ডলফিনৰ সংখ্যাও পূৰ্বতকৈ ভালেমান বৃদ্ধি পাইছে। নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ পূৰ্বে অসম্ভৱ স্বপ্ন যেন লগা বিভিন্ন কাম-কাজ বাস্তৱত ৰূপায়িত হৈছে। উন্নয়নমূলক কাৰ্যৰ পৰা এসময়ত অৱহেলিত হৈ থকা পৱিত্ৰ গংগা এতিয়া নতুন ধাৰাৰে প্ৰৱহমান হৈছে।

০০০০০

এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ডুবাইত আজি হ'বলগীয়া গ্ৰুপ-বিৰ খেলত শ্ৰীলংকাই হংকঙৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ আজি আবুধাবিত অনুষ্ঠিত আন এখন খেলত সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ বিৰুদ্ধে টছত জিকি ওমানে প্ৰথমে ফিল্ডিং কৰিছে। বাতৰি যুগুতোৱাৰ পৰলৈ সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰই ৬৬ ৰাণ সংগ্ৰহ কৰিছে।

০০০০০

বজালী জিলাৰ অন্তৰ্গত শিয়ালমাৰী গাঁৱৰ দক্ষিণচুবা নিবাসী আদৰ্শ কৃষক, সমাজকৰ্মী কন্দৰ্প তালুকদাৰৰ আজি পুৱা নিজ বাসভৱনত মৃত্যু হয়। বিগত এবছৰ ধৰি দুৰাৰোগ্য ৰোগত ভূগি থকা তালুকদাৰৰ মৃত্যুৰ সময়ত বয়স আছিল ৭৩ বছৰ। কৃষিকৰ্মৰ লগতে অঞ্চলটোৰ বিভিন্ন সামাজিক কাম-কাজত জড়িত তালুকদাৰৰ মৃত্যুত বিভিন্ন দল-সংগঠন তথা ব্যক্তিবিশেষে শোক প্ৰকাশ কৰে।

০০০০০

সমাপ্ত